بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হুনাইনৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ) ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৫ চেপ্তেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হুনাইনৰ যুদ্ধত শত্ৰুসকলৰ কাঁড় নিক্ষেপ কৰাৰ ফলত মুছলমান সকলৰ মাজত হুলস্থুলৰ পৰিৱেশ সৃষ্টি হৈছিল। ইয়াৰ বিস্তাৰিত বৰ্ণনা হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ছুৰা নুৰৰ ৬৪ নং আয়াতৰ ব্যাখ্যা কৰি এই ঘটনা বৰ্ণনা কৰিছে যে কেনেকৈ নবীৰ আনুগত্য স্বীকাৰ কৰা উচিত। এই আয়াতৰ অনুবাদ এনেদৰে, হে মোমিনসকল! ৰছুলে তোমালোকক মাত দিয়াত এনেকুৱা নাভাৱিবা যে তোমালোকৰ মাজৰ কোনোবাই তোমালোকক মাত দিছে। আল্লাই তোমালোকৰ সেই লোকসকলক জানে যিসকলে পৰামৰ্শৰ বৈঠকৰ পৰা পলায়ন কৰে। গতিকে যি ব্যক্তি ৰচুলৰ আদেশৰ বিৰোধীতা কৰে তেওঁ এই কথাৰ প্ৰতি ভয় কৰিব যে তেওঁক খোদাৰ ফালৰ পৰা যেন কোনো শাস্তি আহি নাযায় বা বেদনাদায়ক শাস্তিয়ে আগুৰি নধৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ইমামৰ আহ্বানৰ তুলনাত সাধাৰণ লোকৰ আহ্বানত কোনো গুৰুত্ব নাথাকে। তোমালোকৰ দায়িত্ব হ'ল যে যেতিয়া তোমালোকৰ কাণলৈ খোদাৰ ৰছুলৰ ফালৰ পৰা মাত আহে তৎক্ষণাত আমি উপস্থিত আছো বুলি ক'ব লাগে, আৰু সেই কাম কাৰ্যকৰী কৰাৰ বাবে আগবাঢ়ি যাব লাগে; ইয়াতেই তোমালোকৰ উন্নতিৰ ৰহস্য নিহিত আছে। সেই সময়ত

যদি নামাজো পঢ়ি থাকে তথাপি তেওঁৰ কৰ্তব্য যে নামাজ ত্যাগ কৰি খোদাৰ ৰছুলৰ আহ্বানৰ উত্তৰ দিয়া। অৰ্থাৎ নবীৰ ৰছুলৰ আহ্বানত উপস্থিত আছো বুলি কোৱাটো গুৰুত্বপূৰ্ণ বিষয়, বৰঞ্চ ঈমানৰ এটা ডাঙৰ লক্ষণ হয়।

আন ঠাইত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ইছলামী সেনা বাহিনীৰ মাজত হুলস্থুল সৃষ্টি হোৱাৰ ঘটনাৰ বিৱৰণ দাঙি ধৰি আঁহজৰত (ছাঃ)ৰ দৃঢ়ভাৱে অটল থকা সন্দৰ্ভত কৈছে যে .....এনেকুৱা পৰ্যায় আহিছিল যে ৰছুলে কৰিম (ছাঃ)ৰ আশে-পাশে কেৱল ১২ জন চাহাবা ৰৈ গৈছিল। সেই মুহূৰ্তত হজৰত আববাছ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ঘোঁৰাৰ লাগাম ধৰি কৈছিল যে ইয়াতে ৰৈ থাকি কোনো লাভ নহ'ব গতিকে আমি উভতি যাও, যাতে মুছলমান সকলক পুনৰায় একত্ৰিত কৰি আক্ৰমণ কৰিব পাৰো। আঁহজৰত (ছাঃ)য়ে কলে যে খোদাৰ নবী যুদ্ধ পথাৰৰ পৰা পিছহুহুঁকি নাযায়; এই কথা কৈ তেখেত (ছাঃ)য়ে ঘোঁৰাৰ লাগাম ধৰি আগবাঢ়ি গৈ এই কবিতা পাঠ কৰে যে মই খোদাৰ নবী হওঁ, মই মিছলীয়া নহওঁ। মই আজি ৪০০০ হাজাৰ তীৰ নিক্ষেপকাৰীৰ আক্ৰমণ কৰা সত্ত্বেও আগবাঢ়ি গৈ আছো, এই দৃশ্য চাই তোমালোকে এইটো নেভাৰিবা যে মই খোদা বা মোৰ মাজত খোদাৰ বৈশিষ্ট্য আছে। নহয়, নহয় মই খোদা নহওঁ মই আব্দুল মুত্তালিবৰ ল'ৰা হওঁ। এওলোক খোদাৰ অস্তিত্বসদৃশ হয়।

সেই মুহূৰ্তত আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক মাত দি আকৌ উভতি আহিবলৈ আদেশ দিয়ে; যেতিয়া মুছলমান সকলক মাত দিয়া হৈছিল তেতিয়া ক্ষন্তেক সময়ৰ ভিতৰতে নিষ্ঠাবান চাহাবাসকলে দ্ৰুতভাৱে যুদ্ধ ময়দানলৈ উভতি আহিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই নিষ্ঠাৰ কথা উল্লেখ কৰি কৈছে যে এইসকল সেই লোক যিসকলে হজৰত মহম্মদ (ছাঃ)ৰ সেই ঈমানৰ পৰা উপকৃত হৈছিল যিদৰে মহম্মদ (ছাঃ)ৰ মাজত এই গুণ আছিল যে পৰিস্থিতি যেনেকুৱাই ভয়ংকৰ নহওঁক কিয় খোদা তেখেতৰ দৃষ্টিৰ পৰা দূৰত থকা নাছিল; এই একেই গুণৰ ধাৰাবাহিকতা চাহাবা সকলৰ মাজত সৃষ্টি হৈছিল।

ৰিৱায়ত অনুসৰি আঁহজৰত (ছাঃ)ৰ লগত দৃঢ়ভাৱে অটল থকা চাহাবা আৰু চাহাবী সকলৰ সংখ্যা আৰু নামৰো উল্লেখ পোৱা যায়। বিভিন্ন বৰ্ণনাত সংখ্যাৰ পৰিমাণ ১০০ পৰ্যন্ত আছিল বুলি উল্লেখ আছে। লোকসকল যুদ্ধ ময়দানৰ পৰা পিছহুহুঁকি যোৱাত হজৰত উম্মে ছুলাইম (ৰাঃ)য়ে দুখ প্ৰকাশ কৰি ৰছুলে কৰিম (ছাঃ)ক কৈছিল যে হে আল্লাহৰ ৰছুল! আমাৰ পিছত যিসকল তুলাকাউ (অৰ্থাৎ মক্কাৰ সেইসকল লোক যিসকলক তেখেত ছাঃয়ে দয়া কৰি ক্ষমা কৰি দিছিল) লোকক লগ পাম তেওঁলোকক হত্যা কৰি পেলোৱা হ'ব। আঁহজৰত (ছাঃ)য়ে কলে যে হে উম্মে ছুলাইম ! আল্লাহৰ শত্ৰুসকলৰ বাবে আল্লাহ যথেষ্ট, সেইজনাই দয়া কৰিছে।

আৰু এজন বীৰ চাহাবা হজৰত উম্মে আম্মাৰা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হুনাইনৰ যুদ্ধৰ দিনা যেতিয়া লোকসকলে পলায়ন কৰিছিল তেতিয়া আমি চাৰিজন মহিলাই যুদ্ধ ময়দানত ৰৈ গৈছিলো। মোৰ হাতত তীক্ষ্ণ তৰোৱাল আছিল আৰু উম্মে ছুলাইম (ৰাঃ)ৰ হাতত তীক্ষ্ণ তৰোৱাল আছিল, তেওঁ সেই তৰোৱালখন নিজৰ কঁকালৰ লগত বান্ধি ৰাখিছিল আৰু তাই আছিল গৰ্ভৱতী মহিলা। তাইৰ

বাহিৰে আৰু দুগৰাকী মহিলা আছিল। হজৰত উম্মে আম্মাৰাই (ৰাঃ)য়ে মাত দি কয় যে হে আনছাৰসকল ! তোমালোকে পলায়ন কৰাৰ কাৰণ কি ? তাই কয় যে মই হাৱাজনৰ এজন ব্যক্তিক দেখিলো যে তেওঁ পতাকাখন উঠাই ঘেঁহু বৰণৰ উটৰ ওপৰত আৰোহণ কৰি আছিল। তেওঁ মুছলাম সকলৰ পিছানুসৰণ কৰি আছিল। মই তেওঁৰ সন্মুখত গৈ তেওঁৰ উটৰ কুঞ্জত আঘাত হানিলো যাৰ ফলত সেই চিকাৰীজন ওলোটা হৈ পৰি গ'ল আৰু মই তেওঁৰ ওপৰত আক্রমণ কৰিলোঁ তেওঁক ইমানেই আক্রমন কৰিলোঁ যে তেওঁৰ মৃত্যু হৈ গ'ল। তাৰ পিছত মই তেওঁৰ তৰোৱালখন লৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হওঁ। তেখেত (ছাঃ)য়ে চাহাবাসকলক মাত দি আছিল চাহাবা সকলে ওভতি আহি শত্রুসকলৰ ওপৰত আক্রমণ কৰিছিল, শত্রুসকলে ইমান সময় স্থিৰ হৈ আছিল যিমান সময়ত উটৰ গাখীৰ দোহা হয়। মই শত্রুসকলৰ এনেকুৱা লাঞ্ছিত পৰাজয় কেতিয়াও দেখা নাই তেওঁলোকে ইফালে সিফালে পলায়ন কৰি আছিল। মোৰ ল'ৰা ওভতি আহিল যিজন তেওঁলোকৰ ওচৰত বন্দী আছিল।

চাহাবাসকলে যেতিয়া উভতি আহি ভীষণ আক্রমণ চলাইছিল তেতিয়া হুজুৰ (ছাঃ)য়ে নিজৰ খচ্চৰৰ ওপৰত আৰোহণ কৰি যুদ্ধৰ দৃশ্য চাই আছিল। তেখেত (ছাঃ)য়ে কৈছিল যে ভীষণ যুদ্ধ চলি আছে, তেখেত (ছাঃ) শিলগুটি উঠাই কাফিৰসকলৰ মুখৰ ফালে নিক্ষেপ কৰি কৈছিল মহম্মদ (ছাঃ)ৰ প্ৰভুৰ শপত! এই লোকসকল পৰাজিত হ'ল। হজৰত আববাছ (ৰাঃ)য়ে কৈছে যে যেতিয়া মই চাই আছিলো তেতিয়া যুদ্ধ অব্যাহত আছিল, আল্লাহৰ শপত ! যেতিয়া তেখেত (ছাঃ)য়ে শিলগুটি নিক্ষেপ কৰিছিল তেতিয়া কাফিৰ সকলৰ তীব্রতা লেহেমীয়া হৈ পৰিছিল আৰু তেওঁলোকৰ উদ্দেশ্য বিপৰীত হৈ পৰিছিল। সেই মুহূর্তত তেখেত (ছাঃ)ৰ এটা দোৱাৰ কথা উল্লেখ পোৱা যায় যিটো এনেদৰে, হে আল্লাহ ! মই তোমাক সেইজনাৰ মাধ্যম কৰিছো যিজনক লৈ তুমি মোৰ সৈতে প্রতিজ্ঞা কৰিছিলা। হে আল্লাহ ! এইটো সম্ভৱ নহয় যে তেওঁলোক আমাৰ ওপৰত জয় লাভ কৰিব আৰু আমি পৰাজয় হ'ম।

শ্বিবা বিন উছমান কুৰাইছৰ এজন খ্যাতি লাভ কৰা ব্যক্তি আছিল, তেওঁৰ পিতৃ উহুদৰ যুদ্ধত নিহত হৈছিল, তেওঁ নিজে নিজকেই কৈছিল যে যদি সমগ্র আৰববাসী মহম্মদ (ছাঃ)ৰ কলিমা পাঠ কৰে তথাপি মই মুছলমান নহ'ম। তেওঁ কয় যেতিয়া যুদ্ধ ময়দানত তেখেত (ছাঃ)ৰ ওচৰত কেৱল অলপ কেইজন চাহাবা আছিল তেতিয়া মই ভাৱিলো যে এতিয়া মহম্মদ (ছাঃ)ক (নাউজুবিল্লাহ) হত্যা কৰাৰ সুযোগ আছে, এয়া ভাৱি মই সোঁফালৰ পৰা আক্রমণ কৰিব বিচাৰিলো তাতে মই আববাছ (ৰাঃ)ক থিয় দেখা পালো। মই ভাৱিলো যে আববাছ (ৰাঃ)ৰ উপস্থিতিত মহম্মদ (ছাঃ)ৰ ওপৰত আক্রমণ কৰাটো সম্ভৱ নহয়। তাৰ পিছত মই বাওঁফালৰ পৰা আক্রমণ কৰিব বিচাৰিলোঁ তাতে আবু ছুফিয়ান বিন হাৰিছক থিয় থকা দেখা পালো, তাৰ পিছত মই ওভতি আহিলো। আকৌ মই তেখেত (ছাঃ)ক পিছফালৰ পৰা আক্রমণ কৰিব বিচাৰিলো ইয়াৰ পিছত মই নিজৰ চকুৰ ওপৰত হাত ৰাখি উভতি আহিলো। পিছত তেওঁ বৰ্ণনা কৰে যে মই জুইৰ শিখা দেখা পাইছিলো যিয়ে মোক জ্বলাই ছাই কৰি পেলালে হয়। সেই মুহূর্ততে তেখেত (ছাঃ)য়ে মাত দিলে যে হে শ্বিবা! মোৰ কাষ চাপি আহা।

তেওঁ কয় যে মই কাষ চাপি গলো তেতিয়া তেখেত (ছাঃ)য়ে হাঁহি মাৰি মোৰ বুকুৰ ওপৰত নিজৰ হাতখন ৰাখি এই দোৱা কৰিলে যে হে আল্লাহ ! চয়তানক তেওঁৰ পৰা আঁতৰ কৰা, শ্বিবাই কয় যে খোদাৰ শপত ! সেই সময়ৰ পৰাই ৰছুলে কৰিম (ছাঃ) মোৰ কৰ্ণত আৰু দৃষ্টিত মোৰ প্ৰাণতকৈ প্ৰিয় হৈ পৰিল আৰু মোৰ অন্তৰ পৰিষ্কাৰ হৈ পৰিল। তাৰ পিছত তেখেত (ছাঃ)য়ে শ্বিবাক কয়, হে শ্বিবা! কাফিৰৰ সৈতে যুদ্ধ কৰা, তেওঁ বৰ্ণনা কৰিছে যে এতিয়া মই ৰছুলুল্লাহ (ছাঃ)ৰ সমৰ্থনত তৰোৱাল লৈ আগবাঢ়ি ৰছুলুল্লাহ (ছাঃ)ৰ সমৰ্থনত এনেদৰে যুদ্ধ কৰিব ধৰিলো যে সেই সময়ত যদি মোৰ পিতৃও মোৰ সন্মুখীন হলোহেঁতেন মই তেওঁক হত্যা কৰি পেলালোহেঁতেন।

এই ঘটনা হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে; তেখেত (ৰাঃ)য়ে এই ঘটনা বৰ্ণনা কৰি কৈছে যে এইটো আছিল প্ৰেম যিয়ে শ্বিবাৰ শত্ৰুতা দূৰ কৰি দিছিল। যুদ্ধৰ অন্তত আঁহজৰত (ছাঃ)য়ে যেতিয়া নিজৰ তাম্বুৰ ভিতৰত গৈছিল তেতিয়া শ্বিবা বিন উছমানে আঁহজৰত (ছাঃ)ক স্বাগতম জনালে। আঁহজৰত (ছাঃ)য়ে কৈছিল যে যি তুমি এতিয়া ভাৰি আছা তাতোকৈ উত্তম খোদা তা'লাই তোমাৰ বাবে নিৰ্ধাৰণ কৰি ৰাখিছে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে শ্বিবাক সকলোবোৰ কথা কয় যিবোৰ কথা শ্বিবাই যুদ্ধ ময়দানত নিজৰ অন্তৰত ভাৰি আছিল। শ্বিবাই নিজৰ বাবে ক্ষমাৰ আবেদন কৰে, ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁৰ ক্ষমাৰ বাবে দোৱা কৰে যে আল্লাহ তোমাক ক্ষমা কৰক।

এইদৰে নজিৰ বিন হাৰিছৰ কু-অভিপ্ৰায় আৰু পুণ্যৰ কথা উল্লেখ পোৱা যায় যে মক্কাৰ পৰা যিসকল লোক কু-অভিপ্ৰায়ৰে আৰু বেয়া উদ্দেশ্যেৰে হুনাইনৰ যুদ্ধৰ সেনাত যোগদান কৰিছিল তেওঁলোকৰ মাজৰ পৰা বেছিভাগেই এই কথা প্ৰকাশ কৰিছিল যে আল্লাহৰ ধন্যবাদ যে আমি শ্বিৰক অৱস্থাত মৃত্যু বৰণ কৰা নাই যিটোত আমাৰ পুৰ্বপুৰুষ সকল লিপ্ত আছিল। তেওঁলোকৰ ইছলাম ভাল আছিল তেওঁলোকে প্ৰব্ৰজন কৰি মদিনা গৈছিল, তাৰ পৰা জেহাদৰ উদ্দেশ্যে ছিৰিয়াৰ ফালে গৈছিল আৰু পোন্ধৰ হিজৰীত ইয়াৰমুকৰ যুদ্ধত তেওঁলোকে শ্বহীদ হৈছিল। বাকী ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰা হ'ব-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ـ

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB